আদৰ্শ

অসমীয়া হস্তলিপি-৪

চতুৰ্থ শ্ৰেণী

গ্ৰন্থিলচ্

আদৰ্শ অসমীয়া হস্তলিপি-৪

চতুৰ্থ শ্ৰেণীৰ বাবে

প্ৰস্তুতকৰ্তা

গ্ৰহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰহিলচ্ পাব্লিশ্বিং
কমলপুৰ, বৰপেটা (অসম)

আদৰ্শ অসমীয়া হস্তলিপি -৪
চতুৰ্থ শ্ৰেণীৰ বাবে

সৰ্বস্বত্ব প্ৰকাশকৰ দ্বাৰা সংৰক্ষিত

প্ৰথম প্ৰকাশ ঃ

প্ৰকাশক
গ্ৰুহিলচ্ পাব্লিশ্বিং
কমলপুৰ বৰপেটা (অসম)

ডি. টি. পি.
গ্ৰুহিলচ্ পাব্লিশ্বিং ডি. টি. পি. অপাৰেটৰ্চ

মূল্যঃ .... /- মাত্ৰ।

আগকথা

কলম বা পেঞ্চিলৰ সহায়ত হাতেৰে লিখা আখৰেই হাতৰ আখৰ। হাতৰ আখৰ হৈছে শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। হাতৰ আখৰ নিশিকাকৈ কোনোৱে প্ৰকৃত অৰ্থত শিক্ষিত বুলি দাবী কৰিব নোৱাৰে। পৃথিৱীত বৰ্তি থকা সৰহভাগ ভাষাৰ ছপা আখৰ আৰু হাতে লিখা আখৰৰ শৈলীৰ মাজত কিছু পাৰ্থক্য দেখা যায়। হাতৰ আখৰ ভাল হোৱা উচিত। মহাত্মা গান্ধীয়ে হাতৰ আখৰক শিক্ষাৰ এক প্ৰধান অংগ বুলি স্বীকাৰ কৰি নিজৰ বেয়া হাতৰ আখৰৰ বাবে আজীৱন শোক কৰিছিল। ভাল হাতৰ আখৰৰ বিশেষ গুৰুত্ব আৰু তাৎপৰ্য আছে। যেনে ঃ

প্ৰথমতে, হাতৰ আখৰ ভাল হ'লে শিক্ষণ কাৰ্যত মনোযোগ আৰু আগ্ৰহ বৃদ্ধি পায়।

দ্বিতীয়তে, ভাল হাতৰ আখৰে বোধশক্তি আৰু স্মৃতি শক্তি বৃদ্ধি কৰে।

তৃতীয়তে, ভাল হাতৰ আখৰে এজন ব্যক্তিৰ ব্যক্তিত্ব গঠনত ইতিবাচক প্ৰভাৱ পেলায়।

চতুৰ্থতে, ভাল হাতৰ আখৰৰ অধিকাৰী ছাত্ৰ বা ছাত্ৰী এজনে অতি সোনকালে শিক্ষকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

পঞ্চমতে, হীনমন্যতাবোধত ভূগি থকা ছাত্ৰ এজনে ভাল হাতৰ আখৰৰ অধিকাৰী হ'লে হীনমন্যতাবোধ ৰোগৰ পৰা প্ৰতিকাৰ পাব পাৰে।

ষষ্ঠতে, ভাল হাতৰ আখৰে মানসিক সন্তুষ্টি প্ৰদান কৰে।

সেয়ে ভাল হাতৰ আখৰৰ গুৰত্ব অনুধাৱন কৰি ইয়াক শিক্ষাৰ কী-বোৰ্ড বুলি ক'ব পাৰি।

ইয়াতে বিশেষ লক্ষণীয় যে হাতৰ আখৰ ব্যক্তি ভেদে ভিন ভিন শৈলীৰ হয়। আজিকালি কম্পিউটাৰত আখৰৰ বহুত শৈলী পোৱা যায় যদিও সকলোবোৰ শৈলী আদৰ্শ শৈলী বুলি আমি ক'ব নোৱাৰোঁ। কিন্তু আমি যি শৈলী অনুসৰণ নকৰোঁ কিয়, হাতৰ আখৰ ভাল হোৱা উচিত। হাতৰ আখৰ ভাল কৰাৰ বাবে বহুত অনুশীলনৰ প্ৰয়োজন যদিও ভাল হাতৰ আখৰৰ কিছুমান বৈশিষ্ট্য আছে। যেনে ঃ

প্ৰথমতে, হাতেৰে লিখাৰ সময়ত এটা শব্দৰ ভিতৰত থকা আটাইবোৰ বৰ্ণ সংলগ্ন থাকিব লাগে।

দ্বিতীয়তে, হাতৰ আখৰ পোন বা সোঁফালে সামান্য হেলনীয়া হ'ব লাগে। বাওঁপিনে হেলনীয়া হোৱা উচিত নহয়।

তৃতীয়তে, হাতৰ আখৰ অতি সৰু বা অতি ডাঙৰ হ'ব নালাগে।

চতুৰ্থতে, হাতৰ আখৰ সদায় এটা শৈলীত লিখিব লাগে।

ইয়াৰ উপৰিও হাতৰ আখৰ অনুশীলন কৰাৰ সময়ত তলত উল্লেখ কৰা দিশবোৰ মানি চলা উচিত।

প্ৰথমতে, শিকাৰু এজনে তেওঁৰ ভাল লগা আৰু সহজ যেন লগা এটি আৰ্হি অনুকৰণ কৰিব লাগে।

দ্বিতীয়তে, প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীসকলে বা যিকোনো শিকাৰুৱে কাঠ পেঞ্চিল বা ফাউন্টেইন পেন (নিব থকা কলম) ব্যৱহাৰ

কৰিব লাগে। কেতিয়াও বল (ডট) পেন ব্যৱহাৰ কৰিব নালাগে।

তৃতীয়তে, অনুশীলনৰ সময়ত চাৰি-আঁচ বিশিষ্ট বহী ব্যৱহাৰ কৰিব লাগে।

চতুৰ্থতে, হাতৰ আখৰ অভ্যাস কৰোঁতে শিকাৰু এজনে চিয়াৰত বহি টেবিলৰ ওপৰত বহী থৈ আৰ্হি চাই অনুশীলন কৰিব লাগে। কেতিয়াও বিচনাৰ ওপৰত বহি তপিনাত ভৰ দি অনুশীলন কৰিব নালাগে।

পঞ্চমতে, টেবিলৰ উচ্চতা ছাত্ৰজনৰ বুকুলৈকে হ'ব লাগে।

ষষ্ঠতে, পোহৰ ছাত্ৰজনৰ বাওঁপিনৰ পৰা পৰিবলৈ দিব লাগে।

সপ্তমতে, ছাত্ৰজনে ব্যৱহাৰ কৰা টেবিলখন পৰিপাটি হোৱাৰ লগতে মুকলি স্থান থাকিব লাগে। কিতাপ-পত্ৰৰে ঠাহ খাই থকা হ'ব নালাগে।

অষ্টমতে, ছাত্ৰজনে প্ৰত্যেক দিনেই হাতৰ আখৰ অনুশীলন কৰিব লাগে।

নৱমতে, ছাত্ৰজনে হাতৰ আখৰ অনুশীলন কৰাৰ সময়ত কেতিয়াও ততাতৈয়া কৰিব নালাগে।

দশমতে, ছাত্ৰজনে ধৈৰ্য ধৰি একেলেথাৰিয়ে বহুত দিন হাতৰ আখৰ অভ্যাস কৰিব লাগে।

২

আদৰ্শ অসমীয়া হস্তলিপি- ৪ নামৰ অভ্যাস পুথিখন চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰা হৈছে। এই অভ্যাস পুথিখন অসমীয়া বিষয়ৰ পৰিপূৰক পুথি হিচাপে গ্ৰহণ কৰা উচিত। হাতৰ আখৰ শিকাওঁতে শিক্ষক / শিক্ষয়িত্ৰীয়ে এটা বৰ্ণ কেইবাবাৰো ডাঙৰ ডাঙৰকৈ ব্লাকবোৰ্ডত লিখি বৰ্ণটো লিখোতে ক'ৰ পৰা আৰম্ভ কৰিব লাগে, কোনটো পাক বা চুক আগতে লিখিব লাগে আদি দিশ স্পষ্টকৈ বুজাই দিব লাগে। পিছত ছাত্ৰ-ছাত্ৰীক কেইবাবাৰো অনুশীলন কৰিবলৈ দিব লাগে। ভাল হাতৰ আখৰৰ তাৎপৰ্যৰ বিষয়ে প্ৰেৰণাদায়ক আলোচনাৰে ছাত্ৰ-ছাত্ৰীক ভাল হাতৰ আখৰৰ অধিকাৰী হ'বলৈ উৎসাহিত কৰিব লাগে।

শেষত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা, ছাত্ৰ-ছাত্ৰী তথা শিক্ষাবিদসকলৰ পৰা গঠনমূলক সমালোচনা আৰু দিহাপৰামৰ্শ প্ৰত্যাশা কৰিলোঁ।

কমলপুৰ, বৰপেটা
চেপ্তেম্বৰ, ২০১৬

প্ৰকাশক
গ্ৰুহিলচ্ পাব্লিশ্বিং

চুকাফাই অসমত আহোম ৰাজবংশ প্ৰতিষ্ঠা কৰে।

অসম ভাৰতৰ উত্তৰ-পূৱত থকা এখন অংগৰাজ্য।

চুকাফাই চৰাইদেউত অসমৰ ৰাজধানী পাতিছিল।

শিৱসাগৰৰ ৰংপুৰত বিখ্যাত ৰংঘৰ আছে।

ৰুদ্ৰসিংহ আহোম ৰজাসকলৰ ভিতৰত শ্ৰেষ্ঠ আছিল।

হেমচন্দ্ৰ বৰুৱা প্ৰথম পূৰ্ণাঙ্গ অসমীয়া অভিধান প্ৰণেতা।

সূৰ্য কুমাৰ ভূঞা অসমৰ এজন বিখ্যাত ইতিহাসবিদ।

মহৰ্ষি বাল্মীকিয়ে সংস্কৃত ৰামায়ণ ৰচনা কৰিছিল।

ব্যাসেদেৱে সংস্কৃত ভাষাত মহাভাৰত ৰচনা কৰিছিল।

লাচিত বৰফুকনে দেশৰ হকে মোমাইক কাটিছিল।

১৮২৬ চনত অসমখন ইংৰাজসকলৰ অধীনলৈ যায়।

বিহু অসমৰ ঐক্য, সংহতি আৰু ভাতৃত্ববোধৰ প্ৰতীক।

ব্ৰহ্মপুত্ৰ অসমৰ আটাইতকৈ ডাঙৰ নদ।

হাউলীৰ ৰাসমন্দিৰ অসম বিখ্যাত।

অসমৰ হাবিত আপুৰুগীয়া দেওহাঁহ পোৱা যায়।

গুৱাহাটী বিশ্ববিদ্যালয় অসমৰ উচ্চ শিক্ষাৰ ঘাই কেন্দ্ৰ।

চাৰ হেন্‌ৰী কটনে গুৱাহাটীত কটন কলেজ স্থাপন কৰে।

গোপীনাথ বৰদলৈ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী আছিল।

শ্ৰীমন্ত শংকৰদেৱে কোচবিহাৰত স্বৰ্গীয় হৈছিল।

মাধৱ কন্দলি প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি আছিল।

যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

হজৰত মহম্মদ মক্কাত জন্ম গ্ৰহণ কৰিছিল।

জন্মই মৃত্যুৰ প্ৰমাণপত্ৰ।

আকশলৈ থু পেলালে নিজৰ মুখতে পৰে।

ঈশ্বৰত বিশ্বাস নথকাসকলক নাস্তিক বোলা হয়।

প্ৰাচীন ভাৰতবৰ্ষত শূন্যৰ আৱিষ্কাৰ হৈছিল।

আৰ্কিমিডিচ এজন গণিতজ্ঞ আছিল।

কলম্বাচে আমেৰিকা আৱিষ্কাৰ কৰিছিল।

এজনী মাতৃ এহেজাৰ শিক্ষকৰ সমান।

সাধুতাই উত্তম উপায়।

অশিক্ষা অন্ধবিশ্বাসৰ মূল।

সাগৰৰ পানী অতিকৈ লুণীয়া।

ৰবীন্দ্ৰনাথ ঠাকুৰে গীতাঞ্জলি কাব্যগ্ৰন্থ ৰচনা কৰিছিল।

ভল্লৱ ভাই পেটেল ভাৰতৰ প্ৰথম গৃহমন্ত্ৰী আছিল।

তাজমহল যমুনা নদীৰ পাৰত অৱস্থিত।

সমুদ্ৰগুপ্ত দিগ্বিজয়ী সম্ৰাট আছিল।

ৰাইট ভাতৃদ্বয়ে উৰাজাহাজ আৱিষ্কাৰ কৰিছিল।

হিউয়েনচাং এজন চীনা পৰিব্ৰাজক আছিল।

অসমৰ হাজোক পোৱামক্কা বুলি কোৱা হয়।

ভূপেন হাজৰিকাক সংগীত সূৰ্য উপাধি প্ৰদান কৰা হয়।

জাহিৰ উদ্দিন বাবৰ প্ৰথম মোগল সম্ৰাট আছিল।

ইলতুৎমিচে কুতুব মিনাৰ নিৰ্মাণ কৰিছিল।

চুলতানা ৰাজিয়া প্ৰথম দিল্লীৰ সাম্ৰাজ্ঞী হৈছিল।

ঔৰংগজেৱ এজন অতি ন্যায়পৰায়ণ সম্ৰাট আছিল।

প্ৰতিটো ক্ৰিয়াৰে প্ৰতিক্ৰিয়া আছে।

পৃথিৱী সৌৰজগতৰ তৃতীয় গ্ৰহ।

এ. কে. আজাদ ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী আছিল।

সম্ৰাট ছাহজাহানে দিল্লীৰ লালকিল্লা নিৰ্মাণ কৰিছিল।

মক্কা মুছলমানসকলৰ পৱিত্ৰ তীৰ্থস্থান।

সন্ত্ৰাসবাদীসকল মানৱ জাতিৰ ঘাই শত্ৰু।

ৰাণী প্ৰথম এলিজাবেথ চিৰকুমাৰী আছিল।

আমাজান পৃথিৱীৰ আটাইতকৈ বহল নদী।

জাপানক সূৰ্যোদয়ৰ দেশ বুলি কোৱা হয়।

অসমৰ চাহ বিশ্ববিখ্যাত।

যত্ন কৰিলে ৰত্ন পায়।

আমি সৰু কালৰ পৰাই সু-অভ্যাস গঠন কৰিব লাগে।